অসম

মিচিং পৰিষদৰ নির্বাচনক লৈ হিংসা-ভাবুকিৰ অভিযোগ কংগ্রেছৰ

মিচিং স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনৰ পূর্বে হিংসা আৰু ভয়-ভাবুকিৰ অভিযোগ তুলি ৰাজ্যিক নির্বাচনী আয়ুক্তক স্মাৰকপত্র প্রদান কৰিছে প্রদেশ কংগ্রেছে।

প্রকাশ: ১৯ নৱেম্বৰ ২০২৬, নিশা ৯:০০



The Assam Pradesh Congress submitted a memorandum alleging attacks and intimidation ahead of the November 30 Mising Autonomous Council election. (NewzNow)

গুৱাহাটী, ১৯ নৱেম্বৰ: অহা ৩০ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া মিচিং স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনক কেন্দ্র কৰি হিংসা, আক্রমণ আৰু ভয়-ভাবুকিৰ অভিযোগ উত্থাপন কৰিছে অসম প্রদেশ কংগ্রেছে। নির্বাচনী এলেকাসমূহত সংঘটিত ধাৰাবাহিক হিংসাত্মক ঘটনাৰ অভিযোগ তুলি বৃহস্পতিবাৰে ৰাজ্যিক নির্বাচনী আয়ুক্তক এখন স্মাৰকপত্র প্রদান কৰে দলটোৱে।

প্রদেশ কংগ্রেছৰ সভাপতি গৌৰৱ গগৈয়ে গঠন কৰা চাৰিজনীয়া প্রতিনিধি দলটোৱে গুৱাহাটীত ৰাজ্যিক নির্বাচনী আয়ুক্তক সাক্ষাৎ কৰি স্মাৰকপত্র দাখিল কৰে। সুস্থ, নিকা, স্বচ্ছ আৰু নিৰপেক্ষ নির্বাচন অনুষ্ঠিত কৰাৰ বাবে প্রয়োজনীয় ব্যৱস্থা গ্রহণৰ দাবী জনায় দলটোৱে।

প্রতিনিধি দলটোত প্রদেশ কংগ্রেছৰ প্রাক্তন সভাপতি ৰিপুন বৰা, প্রাক্তন সাংসদ বলীন কুলী আৰু আব্দুল খালেক

তথা প্রদেশ কংগ্রেছৰ কার্যনির্বাহক সদস্য গুণকান্ত গগৈ উপস্থিত আছিল।

স্মাৰকপত্রত কংগ্রেছে নির্বাচনী প্রচাৰৰ আৰম্ভণিতে সংঘটিত কেইবাটাও আক্রমণৰ ঘটনা উল্লেখ কৰি উদ্বেগ প্রকাশ কৰে। দলটোৰ অভিযোগ অনুসৰি, যোৱা ১৪ নৱেম্বৰত মাজুলী জিলাৰ ১ নং বনৰীয়া চাপৰিত নির্বাচনী প্রচাৰ চলি থকাৰ সময়ত টি এম পি কে আৰু গণশক্তিৰ কর্মীৰ আক্রমণত কেইবাজনো লোক আহত হয়। ঘটনাটোত দুখন দুচকীয়া বাহন আৰু এখন চাৰিচকীয়া বাহন বেয়াকৈ ক্ষতিগ্রস্ত হয় বুলিও স্মাৰকপত্রত উল্লেখ কৰা হৈছে।

একেদিনাই সন্ধিয়া ধেমাজি জিলাৰ জীয়াঢল সমষ্টিত গণশক্তিৰ কর্মীৰ আক্রমণত প্রাঞ্জল পায়েং আৰু ৰাহুল নৰহ নামৰ দুজন লোক গুৰুতৰভাৱে আহত হোৱা বুলি কংগ্রেছে অভিযোগ কৰে। ১৭ নৱেম্বৰত টি এম পি কেৰ এটা দলে মিংমাং সমষ্টিৰ প্রার্থী মিল্টন পেগুক আক্রমণ কৰি গুৰুতৰভাৱে জখম কৰাৰ অভিযোগো উত্থাপন কৰা হৈছে।

আনহাতে, ১৮ নৱেম্বৰৰ পুৱা প্রায় ৮ বজাত ৪ নং দে-বিং-দে-টাক সমষ্টিৰ প্রার্থী জিতুমণি পাতিৰৰ নির্বাচনী এজেণ্ট জয়নাথ দলেক টি এম পি কেৰ সমর্থকে প্রহাৰ কৰা বুলি স্মাৰকপত্রত উল্লেখ আছে। টি এম পি কে, গণশক্তি আৰু বিজেপিৰ সমর্থকসকলে মিচিং স্বায়ত্তশাসিত পৰিষদৰ বিভিন্ন নির্বাচনী এলেকাত আন প্রার্থীসকলক ভয়-ভাবুকি দিয়াৰ লগতে নির্বাচনী প্রচাৰত বাধা সৃষ্টি কৰাৰ অভিযোগো দলটোৱে তুলিছে।

ধেমাজি, লখিমপুৰ আৰু মাজুলী জিলাৰ নির্বাচনী এলেকাসমূহত পর্যাপ্ত নিৰাপত্তা ব্যৱস্থা গ্রহণ, আৰক্ষীৰ নিয়মীয়া তহল বৃদ্ধি আৰু ভোটগ্রহণৰ দিনা স্পর্শকাতৰ ভোটকেন্দ্রসমূহত কঠোৰ নিৰাপত্তা বেষ্টনী গঢ়ি তোলাৰ দাবী জনাইছে কংগ্রেছে। অভিযোগ উত্থাপিত হিংসাত্মক ঘটনাসমূহৰ তদন্ত কৰি জড়িত দোষীসকলক শীঘ্রে গ্রেপ্তাৰ কৰিবলৈও ৰাজ্যিক নির্বাচনী আয়ুক্তৰ ওচৰত দাবী জনায় প্রতিনিধি দলটোৱে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4557/micing-pishd-niwacn-knggech-hingsa-ovizog